# 2022

## ASSAMESE

Paper : ASM-HE-6016

**( Lakshminath Bezbaroa**

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱিতকালত প্ৰকাশিত একমাত্ৰ কবিতাপুথিখনৰ নাম কি?

(খ) লক্ষ্মীনাথ বেজবৰুৱাই কোন চনত 'জোনাকী' আলোচনীৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল?

(গ) বেজবৰুৱাৰ চুটিগল্প সংকলন 'সুৰভি' কোন চনত প্ৰকাশ হৈছিল?

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাক 'সাহিত্যৰথী' উপাধি কোনে প্ৰদান কৰিছিল?

(ঙ) 'অসম সাহিত্য সভা'ৰ কোনখন অধিৱেশনত লক্ষ্মীনাথ বেজবৰুৱাই সভাপতিত্ব কৰিছিল?

(চ) কোনগৰাকী সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা 'অসম সাহিত্য সভা'ৰ অধিৱেশনত বেজবৰুৱাক 'ৰসৰাজ' উপাধি প্ৰদান কৰা হৈছিল?

(ছ) কাৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱাই কাঠৰ ব্যৱসায়ত নামিছিল ?

(জ) 'ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন-চৰিত' গ্ৰন্থখনৰ ৰচক কোন ?

(ঝ) 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থাকাৰে কেতিয়া প্ৰকাশ হৈছিল ?

(ঞ) কোনগৰাকী সাহিত্যিকে সংগ্ৰহ আৰু সম্পাদনা কৰি বেজবৰুৱাৰ 'তত্ত্বকথা' গ্ৰন্থাকাৰে প্ৰকাশ কৰিছিল ?

(ট) 'কৃপাবৰ বৰুৱাৰ উইল' শীৰ্ষক লঘু ৰচনা বেজবৰুৱাৰ কোনখন গ্ৰন্থৰ অন্তৰ্ভুক্ত ?

(ঠ) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা সংগৃহীত আৰু সংকলিত 'বুঢ়ী আইৰ সাধু' প্ৰথমে কোন চনত প্ৰকাশ হৈছিল ?

(ড) বেজবৰুৱাই ৰচনা কৰা এখন নাটকৰ নাম লিখা।

(ঢ) *Lakshminath Bezbaroa the Sahityarathi of Assam* নামৰ গ্ৰন্থখনৰ সম্পাদক কোন ?

(ণ) অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ৰচিত লক্ষ্মীনাথ বেজবৰুৱা-বিষয়ক গ্ৰন্থখনৰ নাম কি ?

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'কদমকলি'ত অন্তৰ্ভুক্ত 'অ' মোৰ আপোনাৰ দেশ' জাতীয় সংগীতটো প্ৰথমে 'মোৰ দেশ' নামেৰে কোনখন আলোচনীত আৰু কাৰ নামত প্ৰকাশ হৈছিল ?

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ মৰণোত্তৰভাৱে প্ৰকাশিত কাব্যগ্ৰন্থখনৰ নাম কি আৰু পুথিখন কোন চনত প্ৰকাশ হৈছিল ?

(গ) 'সুৰভি'ৰ বাহিৰে লক্ষ্মীনাথ বেজবৰুৱা ৰচিত অন্য দুখন গল্পপুথিৰ নাম লিখা।





(ঘ) 'জোনাকীৰ ত্ৰিমূৰ্ত্তি'ৰ এগৰাকী লক্ষ্মীনাথ বেজবৰুৱা। বাকী দুগৰাকী কোন ?

(ঙ) 'মোৰ জীৱন সোঁৱৰণ'ত লিপিবদ্ধ বেজবৰুৱাৰ বৰপেটাৰ দুটা স্মৃতি উল্লেখ কৰা।

(চ) বাপিৰাম আৰু সিধাই খাটনিয়াৰৰ সম্পৰ্ক কি? সিধাই খাটনিয়াৰৰ ঘৰ ক'ত আছিল ?

(ছ) 'মোৰ জীৱন সোঁৱৰণ'ত লিখকে তেওঁৰ জন্ম কোন চনৰ, কোন মাহত হোৱা বুলি উল্লেখ কৰিছে ?

(জ) কৃপাবৰ বৰুৱাই শেষ উইল কৰা সময়ত ইচ্ছাপত্ৰানুযায়ী কোন দুগৰাকী ব্যক্তিক কাৰ্যনিৰ্বাহক পাতিছে ?

৩। তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : ৫×৪=২০

(ক) 'মালতী' কবিতাত প্ৰতিফলিত চিত্ৰকল্প

(খ) নল-দময়ন্তী

(গ) বাগানবাড়ী

(ঘ) 'মলক গুইন গুইন' গল্পৰ হাস্যৰস

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম-পত্ৰিকা বা সোঁৱৰণী

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ তেজপুৰৰ স্মৃতি

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'তত্ত্বকথা'

(জ) কৃপাবৰ বৰুৱা

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া চুটিগল্পলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(খ) "বাপিৰাম কাই! তুমি মোৰ বৰ ককাইতকৈও বৰ।" ভূধৰে লগুৱা বাপিৰামক এনেকৈ কোৱাৰ অন্তৰালৰ কাহিনী ব্যাখ্যা কৰা।

(গ) 'লাওখোলা' গল্পটোত নলিনী চৰিত্ৰটোৰ জৰিয়তে গল্পকাৰে সমাজত বৰ্তি থকা নাৰী-পুৰুষৰ বৈষম্যৰ ছবি এখন কেনেদৰে অঙ্কন কৰিছে, তোমাৰ ভাষাৰে বৰ্ণনা কৰা।

(ঘ) শ্ৰীকৃষ্ণই অৰ্জুনক ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা প্ৰধান মাৰ্গ কি কি বুলি উল্লেখ কৰিছে আৰু প্ৰতিটো মাৰ্গৰ বিশেষত্বসমূহ কেনেদৰে ব্যাখ্যা কৰিছে, বিতংকৈ লিখা।

(ঙ) "ক্লৈব্য অৰ্থাৎ নপুংসকৰ দৰে কাতৰতা অৱলম্বন নকৰিবা। এনে ক্লৈব্য তোমাৰ যোগ্য নহয়। এতেকে হৃদয়ৰ তুচ্ছ দৌৰ্বল্য পৰিত্যাগ কৰি যুদ্ধ কৰিবলৈ উঠা।" কোনে, কাক আৰু কি পৰিস্থিতিত এনেদৰে যুদ্ধ কৰিবলৈ প্ৰেৰিত কৰিছে, বহলাই লিখা।

(চ) কৃপাবৰ বৰুৱাই 'উইল'ৰ জৰিয়তে দেশীভাই অসমীয়া মানুহক কি কি সম্পত্তি দান কৰি গৈছে, বিতংকৈ আলোচনা কৰা।

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত ৰোমাণ্টিক ভাবনা কেনেদৰে প্ৰকাশ পাইছে, 'মালতী' কবিতাৰ আধাৰত বিশ্লেষণ কৰা।

(জ) 'বীণ-ব'ৰাগী' (১ম তৰংগ) কবিতাটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঝ) 'মোৰ জীৱন সোঁৱৰণ'ত লক্ষ্মীনাথ বেজবৰুৱাই ৰবিনাথ মাজুদলৰ বৰুৱা সম্পৰ্কে লিখা কথাখিনি তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(ঞ) 'মোৰ জীৱন সোঁৱৰণ'ৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।